# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-01-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
- - - - - - - - - - - - - -

১। সমগ্ৰ দেশৰ লগতে অসমতো ৭৬ সংখ্যক গণৰাজ্য দিৱস যথাবিহিত কাৰ্যসূচীৰে উদ্‌যাপন।

২। অসমৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় গড়তকৈ বৃদ্ধি হৈছে বুলি গুৱাহাটীৰ খানাপাৰাত আয়োজিত গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যৰ প্ৰকাশ।

৩। ৰাজ্যত ষ্টাৰ্টআপৰ প্ৰগতি সুনিশ্চিত কৰাৰ বাবে প্ৰথমবাৰৰ বাবে ষ্টাৰ্টআপ বিভাগ সৃষ্টি কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৪। ৰাষ্ট্ৰীয় পুৰস্কাৰ বিজয়ী বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ অন্তেষ্টিক্ৰিয়া মঙলদৈত ৰাজ্যিক মৰ্যদাৰে সম্পন্ন।

৫। ডিব্ৰুগড়ত নিৰ্মাণ হবলগীয়া ৪ খন উৰণ সেতুৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

*আৰু*

৬। মহিলাৰ ১৯ বছৰৰ অনূৰ্ধ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেটত ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ।

ooooo

সমগ্ৰ দেশৰ লগতে অসমতো বিভিন্ন কাৰ্যসূচীৰে ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয় যে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় গড়তকৈ বৃদ্ধি পাইছে। এই কথা উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে ৰাজ্যৰ জনমূৰি আয় পূৰ্বৰ তুলনাত বৃদ্ধি পোৱাত সন্তোষ প্ৰকাশ কৰে।

বহুকেইখন নতুন বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠান নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ শিক্ষা খণ্ডৰ আন্তঃগাঁতনি উন্নয়ন অভূতপূৰ্বভাৱে বৃদ্ধি পোৱা বুলি তেওঁ প্ৰকাশ কৰে।

গ্ৰামাঞ্চলৰ উন্নয়ন বৰ্তমানৰ চৰকাৰখনে উচ্চ অগ্ৰাধিকাৰ বিষয় হিচাপে গণ্য কৰি আহিছে বুলি শ্ৰীআচাৰ্যই উল্লেখ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীতকৰণৰ উপৰি বহনক্ষম বিকাশৰ বাবে পদক্ষেপ লৈ থকা হৈছে। ইয়াৰ অংশ স্বৰূপে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত বৰ্তমানলৈ ১৯ লাখ ৫০ হাজাৰ পকী গৃহ নিৰ্মাণ কৰা হৈছে বুলি ৰাজ্যপালগৰাকীয়ে জানিবলৈ দিয়ে। গ্ৰামীণ নিয়োগৰ ক্ষেত্ৰত এম জি এনৰেগাৰ অধীনত বহু লোকে কৰমসংস্থাপন লাভ কৰিছে। ইপিনে ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ দ্বাৰা ১০০ শতাংশ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰণকৰণৰ দিশত অসমে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰাৰ কথাও ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই তেওঁৰ ভাষণত কয় যে অসম চৰকাৰে যিকোনো ধৰণৰ অপৰাধৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে। ড্ৰাগছ সৰবৰাহ, মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধ, বাল্য বিবাহ, মানৱ সৰবৰাহ, বন্যপ্ৰাণী সৰবৰাহ, চাইবাৰ অপৰাধ আদিৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ নীতি গ্ৰহণ কৰা বুলি তেওঁ উল্লেখ কৰে।

oooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আমাৰ ৰাষ্ট্ৰখনক এখন বিকশিত ৰাষ্ট্ৰলৈ লৈ যোৱাৰ অমৃত যাত্ৰাৰ সহযোগী হ'বলৈ ৰাজ্যবাসীলৈ আহ্বান জনাইছে। ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৭৬ সংখ্যক ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। ৰাজ্যত শান্তিৰ নিজৰা ব'বলৈ আৰম্ভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে যোৱা কেইবছৰমানৰ ভিতৰত ৰাজ্যখনৰ কেইবাটাও উল্লেখযোগ্য সফলতাৰ বিষয়ে আলোকপাত কৰে।

২০২৪ চনত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰা, চৰাইদেউৰ মৈদামক্ষেত্ৰসমূহে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভ কৰা, বিহুৱে গিনিজ বুক ৱৰ্ল্ড ৰেকৰ্ডত স্থান লাভ কৰা, লাচিত বৰফুকনৰ প্ৰতিমুৰ্তিয়ে দেশৰ ভিতৰতে অনন্য স্থান পোৱা আদি বিষয়সমূহত মুখ্যমন্ত্ৰীয়ে আলোকপাত কৰে। মুখ্য মন্ত্ৰী শ্ৰীশৰ্মাই ষ্টাৰ্ট আপ সমূহৰ প্ৰগতি সুনিশ্চিত কৰাৰ অৰ্থে ৰাজ্যত প্ৰথমবাৰৰ বাবে ষ্টাৰ্টআপ বিভাগ সৃষ্টি কৰা হব বুলি ঘোষণা কৰে। তেওঁ ষ্টাৰ্টআপসমূহক নতুন অসমৰ অৰ্থনৈতিক নৱজাগৰণ বুলি আখ্যা দিয়ে। তদুপৰি ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰীৰ বাবে পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰা হ'ব বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই ডিব্ৰুগড়, তেজপুৰ, আৰু শিলচৰ চহৰক মহানগৰলৈ উন্নীত কৰাৰ বাবে আন্তঃগাথনি উন্নয়ন সাধনৰ ব্যৱস্থা কৰা হৈছে বুলিও উল্লেখ কৰে। তেওঁ লগতে কয়, যে ২০২৭ চনৰ পূৰ্বে ডিব্ৰুগড়ত এখন বিধানসভা চৌহদ নিৰ্মাণ কৰা হ'ব। ডিব্ৰুগড় ৰাজ্যৰ দ্বিতীয় ৰাজধানী হ'ব বুলিও তেওঁ সদৰি কৰে। ইপিনে, তেজপুৰতো এটা ৰাজ ভৱন নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কয়, যে তেজপুৰ চহৰখন ৰাজ্যৰ সাংস্কৃতিক ৰাজধানী হিচাপে গঢ় দিয়া হ'ব।

তেওঁ শিলচৰতো ক্ষুদ্ৰ সচিবালয় তথা মুখ্য সচিবৰ কাৰ্যালয় নিৰ্মাণৰ পৰিকল্পনাৰ বিষয়ে সদৰি কৰে। কেৱল সাংস্কৃতিক স্বাভিমানেই নহয় অৰ্থনৈতিক ক্ষেত্ৰতো ৰাজ্যখনৰ উন্নয়নৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। ২৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া টাটা চেমিকনডাক্টৰ প্ৰকল্পই ২০২৫ চনৰ নৱেম্বৰ মাহত অসমৰ পৰা ৪৮ মিলিয়ন ছিপ ৰপ্তানী কৰাৰ সংকল্প লৈছে বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। অৰ্থনৈতিক ক্ষেত্ৰত আধুনিক যুগৰ সূচনা কৰি, অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত এডভাণ্টেজ আচাম দ্বিতীয় সন্মিলনৰ আয়োজন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। আন্তগাথনি উন্নয়ন, ইলেক্ট্ৰনিক্স আৰু চেমিকনডাক্টৰ, মহাকাশ আৰু প্ৰতিৰক্ষা সামগ্ৰী প্ৰস্তুতকৰণ, নৱীকৰণযোগ্য শক্তি আৰু হাইদ্ৰকাৰ্বন, পৰ্যটন, ফুড এণ্ড বেভাৰেজ, ফ্ৰেগ্ৰেন্স এণ্ড ফ্লেভাৰ তথা পৰিবহন আৰু লজিষ্টিক এই আঠটা খণ্ডত দেশৰ ভিতৰতে নৱ তাৰকা হিচাপে ৰাজ্যখনক উন্মেষিত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত আজি কেইবাখনো উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰিব। ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ সন্মুখৰ মানকাটা পথত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ইতিমধ্যে উপস্থিত হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১৫৮ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া আমোলাপট্টী চাৰিআলি উৰণ সেতু, ৮৪ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া মানকটা পথ উৰুণ সেতু, ৭২ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া লাহোৱাল-বৰডুবি-তিনিচুকীয়া পথ আৰু ৩৭ নম্বৰ পুৰণি ঘাইপথৰ সংযোগস্থল উৰণ সেতু, ৬২ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া লেজাই কলাখোৱা পথ উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰিব। বিয়লি তেওঁ ডিব্ৰুগড়ৰ বিশিষ্ট নাগৰিকসকলৰ সৈতে এখন চাহ মেলতো অংশ ল'ব। কাইলৈ তেওঁ ধেমাজি জিলাৰ জোনাই সম-জিলাৰ উন্নয়ন কাম-কাজ সম্পৰ্কে পৰ্যালোচনা কৰি বিবেকানন্দ কেন্দ্ৰৰ আনন্দলয়া ভৱনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০০

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত সোণাৰী ৰাজহুৱা খেলপথাৰত আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি জিলা আয়ুক্ত ডাঃ নেহা যাদৱে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। পতাকা উন্মোচনৰ পূৰ্বে জিলা আয়ুক্তগৰাকীয়ে দেশৰ স্বাধীনতাৰ হকে প্ৰাণ দিয়া বীৰ শ্বহিদসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ কুচকাৱাজত অংশগ্ৰহণ কৰা আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰো অভিবাদন গ্ৰহণ কৰে। জিলাবাসীলৈ স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি আয়ুক্তগৰাকীয়ে কয়, যে চৰাইদেউ মৈদামক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে মৰ্যাদা পোৱাটো জিলাখনৰ বাবে আশাব্যঞ্জক বতৰা। এই বতৰাই জিলাখনলৈ বহু নতুন সম্ভাৱনাৰ বাট কাটিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

লখিমপুৰ জিলাতো লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। অসম চৰকাৰৰ শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি শ্ৰীগোৱালাই আৰক্ষী আৰু বিভিন্ন নিৰাপত্তা বাহিনীৰ সামৰিক কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে।

বিত্ত তথা মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি দিয়া ভাষণত জিলা স্তৰৰ সকলো বিভাগৰ জনকল্যাণমূলক আঁচনিৰ খতিয়ান দাঙি ধৰে।

তিনিচুকীয়া জিলাত নতুনকৈ ২২৮ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ গঢ়ি তোলাত চৰকাৰে অনুমোদন দিয়ে। গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে এইদৰে কয়। তেওঁ জিলাখনত কেন্দ্ৰীয়ভাৱে আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্য়সূচীত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে।

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই যোৰহাটৰ জিলা ক্ৰীড়া খেলপথাৰত আয়োজিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিকদৰ্শনত সবকা সাথ সবকা বিকাশ সবকা বিশ্বাস ভাৱাদৰ্শৰ সৈতে প্ৰগতি তথা উন্নয়নৰ দিশে ৰাজ্যখনৰ যাত্ৰা অব্যাহত থকা সন্দৰ্ভত আলোকপাত কৰে।

ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবোলাল গাৰ্লোচাই আজি হাফলঙত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। শ্ৰীগাৰ্লোচাই জিলাখনৰ কিংবদন্তি শিল্পী জয়নাচৰণ বাথাৰীক পদ্মশ্ৰী সন্মান প্ৰদান কৰা বাবে অভিনন্দন জ্ঞাপন কৰে।

কাৰ্বি আংলঙ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি তেওঁ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ এক খতিয়ান দাঙি ধৰে।

কৃষিমন্ত্ৰী অতুল বৰাই শিৱসাগৰত আয়োজিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰাৰ লগতে স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহিদসকলৰ প্ৰতি পুষ্পাঞ্জলি তৰ্পন কৰে। ভাষণ প্ৰসংগত তেওঁ সংবিধান প্ৰণেতাসকললৈও শ্ৰদ্ধাঞ্জলি অৰ্পন কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আৰক্ষী, সশস্ত্ৰ সীমাবল, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী তথা শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা কুচকাৱাজৰো তেওঁ প্ৰশংসা কৰে।

জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নলবাৰীত আযোজিত গণৰাজ্য দিৱসৰ বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি গণতান্ত্ৰিক প্ৰমূল্যবোধক আকোৱালি লবলৈ তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়। তদুপৰি মন্ত্ৰীগৰাকীয়ে গণৰাজ্য দিৱস উপলক্ষে নলবাৰী চিকিৎসা মহাবিদ্যালয় পপৰিদৰ্শন কৰি ৰোগীসকলৰ মাজত ফলমূল বিতৰণ কৰাৰ লগতে তেওঁলোকৰ সৈতে মত বিনিময় কৰে। শ্ৰীবৰুৱাই মহাবিদ্যালয়খনৰ চৌহদত আয়োজিত গছপুলি ৰোপণ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে।

তথ্য আৰু জনসংযোগ মন্ত্ৰী পিযুষ হাজৰিকাই আজি শোণিতপুৰৰ তেজপুৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসুচীত অংশগ্ৰহণ কৰি সংবিধান প্ৰণেতাসকলক সুঁৱৰি কয়, যে তেওঁলোকৰ দূৰদৰ্শিতাৰ ফলতে আজি দেশৰ নাগৰিকসকলে মুক্ত পৰিবেশ লাভ কৰিবলৈ সমৰ্থ হৈছে। ভাৰতীয় সংবিধানৰ আধাৰত দেশখনত গঢ়ি উঠা গণতান্ত্ৰিক প্ৰমূল্যবোধৰ বাবে বিশ্বত ভাৰতৰ ভাৱমুৰ্তি উজ্বল হৈ উঠিছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে তেজপুৰৰ সাহিত্য সভা ভৱনত আয়োজিত ৰক্তদান শিবিৰতো অংশগ্ৰহণ কৰে।

মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই চিৰাঙৰ উপায়ুক্তৰ কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ডত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে।

পৰিবেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি উত্তৰ গুৱাহাটী মহাবিদ্যালয় খেলপথাৰত কামৰূপৰ জিলা প্ৰশাসনে আয়োজন কৰা ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসুচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত নিৰ্দিষ্ট ক্ষেত্ৰসমূহত বিশেশ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা কেবাগৰাকী ব্যক্তি তথা কেইবাটাও সংগঠনক অনুষ্ঠানটোত সম্বৰ্ধনা

জনোৱা হয়। তদুপৰি কামৰূপ জিলা প্ৰশাসনে গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বিশেষ প্ৰদৰ্শনীৰো আয়োজন কৰে।

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই বঙাইগাওঁৰ গান্ধী ময়দানত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে সংবিধান প্ৰণেতা তথা দেশৰ স্বাধীনতা সংগ্ৰামৰ সেনানীসকলৰ প্ৰতিও শ্ৰদ্ধা তৰ্পন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দিকদৰ্শনত বিভিন্ন ক্ষেত্ৰত ৰাজ্যখনৰ প্ৰগতি ত্বৰান্বিত হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

অসমৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় গড়তকৈ বৃদ্ধি পাইছে বুলি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এই কথা উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে ৰাজ্যৰ জনমূৰি আয় পূৰ্বৰ তুলনাত বৃদ্ধি পোৱাত সন্তোষ প্ৰকাশ কৰে।

বহুকেইখন নতুন বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠান নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ শিক্ষা খণ্ডৰ আন্তঃগাঁথনি উন্নয়ন অভূতপূৰ্বভাৱে বৃদ্ধি পোৱা বুলি তেওঁ প্ৰকাশ কৰে।

গ্ৰামাঞ্চলৰ উন্নয়ন বৰ্তমানৰ চৰকাৰখনে উচ্চ অগ্ৰাধিকাৰ বিষয় হিচাপে গণ্য কৰি আহিছে বুলি শ্ৰীআচাৰ্যই উল্লেখ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীতকৰণৰ উপৰি বহনক্ষম বিকাশৰ বাবে পদক্ষেপ লৈ থকা হৈছে। ইয়াৰ অংশ স্বৰূপে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত বৰ্তমানলৈ ১৯ লাখ ৫০ হাজাৰ পকী গৃহ নিৰ্মাণ কৰা হৈছে বুলি ৰাজ্যপালগৰাকীয়ে জানিবলৈ দিয়ে। গ্ৰামীণ নিয়োগৰ ক্ষেত্ৰত এম জি এনৰেগাৰ অধীনত বহু লোকে কৰমসংস্থাপন লাভ কৰিছে। ইপিনে ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ দ্বাৰা ১০০ শতাংশ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰণকৰণৰ দিশত অসমে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰাৰ কথাও ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে।

০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন তথা জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত ৰাষ্ট্ৰীয় পতাকা উৰুৱায়।

শ্ৰীসোণোৱালে লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জনাইছে। বিশ্ববিদ্যালয়খনে বহু মানৱ সম্পদ সৃষ্টিৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বাবে নতুন দিগন্তৰ সূচনা কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বিশ্ববিদ্যালয়ত পঢ়ি থকা কালৰ স্মৃতি সোঁৱৰে।

০০০

গুৱাহাটী উচ্চ ন্যায়ালয় চৌহদতো আজি উলহ মালহেৰে ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুয়ে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি আৰক্ষী জোৱান আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ অভিবাদন গ্ৰহণ কৰে। গণৰাজ্য দিৱসৰ কাৰ্যসূচী উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা আৰু হৃষিকেশ ৰয়ৰ লগতে অন্যান্য ন্যায়াধীশ, অধিবক্তা আৰু বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০

ৰাজ্যৰ প্ৰখ্যাত নৃত্য শিল্পী তথা সত্ৰীয়া সংস্কৃতিৰ সাধক যতীন গোস্বামীলৈ চলিত বৰ্ষৰ পদ্ম বিভূষণ সন্মান আগবঢ়োৱা হৈছে। ১৯৩৩ চনত জন্ম গ্ৰহণ কৰা এইগৰাকী শিল্পীলৈ ভাৰত চৰকাৰে ২০০৮ চনত পদ্মশ্ৰী সন্মান আগবঢ়াইছিল। ইয়াৰ পূৰ্বে ২০০৪ চনত তেওঁ সংগীত নাটক একাডেমী বঁটা লাভ কৰে। অসম নাট্য সন্মিলন বঁটা, আনন্দ মোহন ভাগৱতী নৰ্তন বঁটা, ভবেন্দ্ৰ নাথ শইকীয়া ভ্ৰাম্যমান থিয়েটাৰ বঁটাকে ধৰি যতীন গোস্বামীয়ে বহু বঁটা সন্মান লাভ কৰিছে। নৃত্য চৰ্চাৰ লগতে শ্ৰীগোস্বামীয়ে নৃত্য বিষয়ক কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। তেওঁ মাটি আখৰা, নৃত্য পৰিভাষিক শব্দ আৰু সংজ্ঞা, নৃত্যৰ শিক্ষা, নৃত্যৰ প্ৰাথমিক হস্ত পৰিচয় আদিকে ধৰি কেইবাখনো নৃত্য নাটিকা ৰচনা কৰিছে। লেখক, সাংবাদিক পুলিন কলিতাই ৰচনা কৰা

শিল্পীগৰাকীৰ জীৱনী গ্ৰন্থ **ঐছন জনম গোৱাই** প্ৰকাশ পাইছে। এই সন্মানৰ বিষয়ে নিজৰ অনুভৱ প্ৰকাশ কৰি আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত শিল্পীগৰাকীয়ে এইদৰে কয় ঃ-

বাইট

০০০

আজি নিচেই পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটা বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি মঙলদৈত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। ইয়াৰ পূৰ্বে তেওঁৰ নশ্বৰ দেহ গুৱাহাটীৰ পৰা মঙলদৈলৈ নিয়া হয় আৰু তেওঁৰ শৰদেহ মঙলদৈৰ হাউলী-মোহনপুৰৰ পৈতৃক বাসগৃহত ৰখা হয়। মঙলদৈত আজি গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে প্ৰয়াত চলচ্চিত্ৰ পৰিচালকগৰাকীৰ প্ৰতি ৰাজ্য চৰকাৰৰ হৈ শ্ৰদ্ধাঞ্জলি তৰ্পন কৰে। মঙলদৈৰ বিধায়ক বসন্ত কুমাৰ দাস, চিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশী, জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতি, মঙলদৈ ইউনাইটেড ক্লাব, জিপচী গীল্ড মঙলদৈকে ধৰি ভালেসংখ্যক ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানে সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ নশ্বৰ দেহত অন্তিম শ্ৰদ্ধাঞ্জলি জনায়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে দৰঙী ৰাজপৰিয়ালৰ সন্তান বিশিষ্ট চলচ্চিত্ৰ আৰু টেলিভিছন ধাৰাবাহিকৰ নিৰ্মাতা সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ আজি পুৱা প্ৰায় চাৰে চাৰি বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৮৫ বছৰ বয়সত দেহাৱসান ঘটে।

১৯৭১ চনত **অৰণ্য** ছবিৰে ছবি পৰিচালনাত হাত দিয়া সমৰেন্দ্ৰ নাৰায়ণ দেৱে তেওঁৰ প্ৰথমখন ছবিৰ বাবে আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবিৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল। পুতলা ঘৰ ছবিৰ বাবেও তেওঁ ১৯৭৬ত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ পুৰস্কাৰ লাভ কৰিছিল। তেওঁৰ আন ছবিসমূহৰ ভিতৰত আছে সোণৰ হৰিণ, ৰাজা, কাজিৰঙাৰ কাহিনী আৰু বীৰ চিলাৰায়। তেওঁ গুৱাহাটী দূৰদৰ্শনৰ বাবেও ভালেকেইখন ধাৰাবাহিক আৰু তথ্য চিত্ৰ নিৰ্মাণ কৰিছিল।

০০০

মাজুলীৰ কৃষকৰ আয় বৃদ্ধি কৰাৰ লক্ষ্যৰে মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা কৃষি বিভাগৰ কাৰিকৰী সহযোগিতাত আজি মুদৈবিল নৰৰতপুৰত ৫০ বিঘা কৃষিভূমিত স্থানীয় বিধায়ক ভূবম গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে ভোট জলকীয়াৰ বীজ সিঁচা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ভোট জলকীয়া খেতিৰ জৰিয়তে কৃষকৰ উপাৰ্জন অধিক বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে।

০০০

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত আজি মুম্বাই চিটী ফুটবল ক্লাব, মহম্মেদান স্পোৰ্টিং ক্লাবৰ মুখামুখি হ'ব। মুম্বাই অনুষ্ঠিত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০

সমাপ্ত